# দা মায়'পিক আমেৰিকান ষ্টেন্স

অৰুণ জেটলী

ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা

২০০২ চনৰ গোষ্ঠীগত সংঘৰ্ষৰ কেচত কালিৰ ৰায়দানে এচ আই টি ৰ প্ৰতিবেদনক মান্যতা দিছে আৰু প্ৰতিবাদী আবেদনৰ অমান্যতা সকলোৰে বাবে এটি গুৰুত্বপূৰ্ণ শিক্ষা হৈ পৰিছে । যদি মূল বিষয়টোৱেই বেলেগ আছিল তেনেক্ষেত্ৰত ভুল প্ৰতিবেদনৰ পৰিপেক্ষিতত তৰ্ক কৰাৰ যুক্তি ক'ত ? সংবাদ মাধ্যমৰ এটি শাখা আৰু কিছু বেচৰকাৰী সংগঠনে শ্ৰীযুত নৰেন্দ্ৰ মোডীৰ বিৰুদ্ধে কিছুমান মিছা অভিযোগ উত্থাপিত কৰিছিল । এই বিষয়ৰ ওপৰত যিদৰে তেওঁলোকে ইমান দূৰ পৰ্য্যন্ত আলোচনা কৰিছিল সেইয়া আত্মমন্থনৰ যোগ্য । উচ্চতম ন্যায়লয়ৰ মুখ্য ন্যায়ধীশে সকলো তথ্যৰ বিবেচনা নকৰি ' নেৰ' 'ৰ দ্বৰে অনুপযুক্ত মন্তব্য দাঙি ধৰিছিল । এতিয়া তেওঁ এই মন্তব্যক প্ৰত্যাহাৰ কৰিব'নে ? ইয়াৰ উৰ্দ্ধলৈ গৈ এজন সম্পাদকে তেখেতক 'মাছ মাৰ্ডাৰাৰ' বুলিও মত প্ৰকাশ কৰিছিল । দেশৰ বাহিৰৰ যিবোৰ দেশৰ ভাৰতৰ সৈতে মৈত্ৰীপূৰ্ণ সম্পৰ্ক আছে তেওঁলোকে আদালতৰ দ্বৰে, নৰেন্দ্ৰ মোডীক দোষী পৰিগণিত কৰিছিল । স্বাধীনতাৰ পাছত যিদৰে ২০০২ চনৰ গোষ্ঠীগত সংঘৰ্ষৰ বাবে মোডীক নীৰিক্ষণ কৰা হৈছিল সেইদৰে কোনো ৰাজনীতিবিদক নীৰিক্ষণ কৰা হোৱা নাই, এই তথ্যকো তেওঁলোকে অৱমাননা কৰিছিল । এই দেশৰ উচ্চতম ন্যায়লয়েও তেওঁৰ বিৰুদ্ধে গুচৰৰ নীৰিক্ষণ কৰিছিল । তেওঁলোকে মোডীৰ বিৰুদ্ধে গুচৰৰ অনুসন্ধানৰ বাবে শ্ৰেষ্ঠ বিষয়াৰ বাচনি কৰিছিল । অনুসন্ধানকাৰী দ'লে ১০০ তকৈও অধিক সাক্ষীক পৰীক্ষা কৰিছিল । এচ আই টি য়ে মুখ্যমন্ত্ৰীক ৯ ঘন্টা পৰ্য্যন্ত সোধ-পোছ কৰিছিল । উচ্চতম ন্যায়লয়ৰ নীৰিক্ষণৰ অন্তৰ্গত এচ আই টি য়ে অনুসন্ধান কৰাৰ ওপৰিও আন কিছু ব্যক্তিৰ মতামত, প্ৰতিবাদী আবেদন আৰু ন্যায়সংগত মগজুৰে এই কেচৰ নীৰিক্ষণ কৰিছিল । এই সকলোবোৰ আইনগত প্ৰচেষ্টাৰ পাছত আদালতে মন্তব্য দিছিল যে মোডীৰ বিৰুদ্ধে কোনো ধৰণৰ তথ্য পোৱা যোৱা নাই । এই বিষয়ৰ ওপৰত যুক্তৰাষ্ট্ৰই মন্তব্য দিয়াৰ অধিকাৰ ক'ত ? ২০০৫ চনৰ পৰাই মোডীয়ে ইউ এচ ভিজাৰ বাবে আবেদন কৰা নাই । মোৰ ব্যক্তিগত পৰামৰ্শ যে মোডীয়ে ইউ এচ ভিজাৰ বাবে কেতিয়াও আবেদন কৰিব নালাগে । এই সন্দৰ্ভত আমেৰিকাই লোৱা স্থিতি নিকাভাৱে তেওঁলোকৰ আদালতৰ দ্বাৰা আগতে লোৱা নিৰ্ণায়ক সিদ্ধান্তৰ ভিত্তিত লোৱা হৈছে । বহুতো অনুসন্ধান, পুন:অনুসন্ধান কৰা স্বত্বেও কোনো তথ্য লাভ নকৰাৰ পাছতো মোডীক দোষী সাব্যস্ত কৰাটোৱে অপৈনত কুটনীতিহে দেখুৱাইছে । ই ভাৰতৰ আভ্যন্তৰীণ বিষয়তো হস্তক্ষেপ কৰিছে । এনেধৰণৰ মায়'পিক আমেৰিকান ষ্টেন্স, আমি তেওঁলোকলৈ উভতাই পঠিয়াব লাগে । ই অনুৰত্তী প্ৰতিক্ৰিয়াৰ বাবে এক দৃষ্টান্ত । এইয়াই সময় য'ত আমেৰিকাইও এই বিষম পৰিস্থিতিত কিদৰে নিজকে অন্তৰ্ভূক্ত কৰাইছিল, সেইয়া উজাগৰ কৰিব লাগে ।